জনসংযোগ, অসম

প্ৰেছ বাৰ্তা নংঃ ১৬২

# চৰকাৰী বন্ধ সম্পৰ্কত স্পষ্টীকৰণ

**দিছপুৰ, ১৭ জুনঃ** চৰকাৰী বন্ধৰ অধিসূচনা সংক্ৰান্তত জাৰি কৰা শুধৰণি অধিসূচনাৰ বিষয়ে সামাজিক মাধ্যমত ভুলকৈ চৰ্চা হোৱা বাবে সাধাৰণ প্ৰশাসন বিভাগে বন্ধ সম্পৰ্কত পুনৰ এক শুধৰণি অধিসূচনা জাৰি কৰিছে। পূৰ্বে প্ৰকাশিত বন্ধৰ তালিকাত ঈদ-উজ্-জোহা গ্ৰেগ'ৰিয়ান কেলেণ্ডাৰ মতে ১০ জুলাই, ২০২২ আৰু অসমীয়া কেলেণ্ডাৰ (ভাস্কৰাব্দ) অনুসৰি ২৪ আহাৰত বুলি প্ৰকাশ পাইছিল। নতুনকৈ জাৰি কৰা অধিসূচনাত এইটো স্পষ্ট কৰি দিয়া হৈছে যে অসমীয়া তাৰিখটো ২৪ আহাৰৰ পৰিবৰ্তে ২৫ আহাৰ হ'ব।

আনহাতে সীমিত বন্ধৰ ক্ষেত্ৰত ২০ জুনৰ বিষ্ণু প্ৰসাদ ৰাভাৰ মৃত্যু দিৱসটি অসমীয়াত ৪ আহাৰৰ পৰিবৰ্তে ৫ আহাৰ, ৩০ জুনৰ হুল দিৱসটি অসমীয়াৰ ১৪ আহাৰৰ পৰিবৰ্তে ১৫ আহাৰ আৰু ১৩ জুলাইৰ নেপালী কবি ভানু ভক্ত আচাৰ্যৰ জন্ম দিৱসটি অসমীয়াৰ ২৭ আহাৰৰ পৰিবৰ্তে ২৮ আহাৰ হ'ব লাগে বুলি অধিসূচনাত উল্লেখ কৰা হৈছে।

*এমআৰডি/১৭-০৬-২০২২*